# সামাজিক কাৰ্য্য ৰূপায়ণ সমিতি গঠন সম্পৰ্কে নিৰ্দেশনা টোকা

(Social Action Committee- SAC )

## পাতনি

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে সামূহিক অনুষ্ঠান যেনে- গাঁও সংগঠন (Village Organization) গঢ়ি তোলা হৈছে যাতে ইয়াৰ সহায়ত সমূহীয়াভাবে গাঁৱৰ উন্নয়ন সধাৰ লগতে সেই অঞ্চলৰ মহিলাসকলক সৱলীকৰণ কৰি, সামগ্ৰিক অৱস্থাৰ বহনক্ষম উন্নয়ন সাধি লিঙ্গ বৈষম্যতা নোহোৱা কৰি অসমৰ গ্ৰাম্য সমাজ জীৱনক ন ৰূপত সজাই তুলিব পাৰি।

গাঁও সংগঠনৰ সামাজিক কাৰ্য্য ৰূপায়ণ সমিতি (Social Action Committee- SAC ) ঃ

গাঁও সংগঠনৰ উপ-সমিতিবোৰৰ ভিতৰত সামাজিক কাৰ্য্য ৰূপায়ণ সমিতিখনে সমাজ উন্নয়নত গুৰিয়ালৰ দৰে প্ৰধান ভূমিকা পালন কৰাৰ লগতে সমাজ উন্নয়নত গাঁও সংগঠনৰ ন্যাৰ্যতাকো মান্যতা প্ৰদান কৰিব। এই সমিতিখনে প্ৰাথমিকভাবে আত্ম-সহায়ক গোটৰ দশ সূত্ৰ ৰূপায়ণৰ ওপৰতে প্ৰধানতঃ আলোকপাত কৰিব। এই সমিতিখনে ৰাজ্যৰ বিভিন্ন চৰকাৰী বিভাগ সমূহত নিজৰ প্ৰাপ্য আৰু অধিকাৰ সমূহ আত্ম-সহায়ক গোটৰ সদস্য আৰু সদস্যৰ পৰিয়ালে যাতে সাব্যস্ত কৰিব পাৰে তাৰ বাবে কাম কৰি যাব। প্ৰতিটো গাঁও সগংঠন গঠন হোৱাৰ তিনি মাহৰ ভিতৰত সামাজিক কাৰ্য্য ৰূপায়ণ সমিতিখন গঠন কৰাতো বাধ্যতামূলক। এই সমিতিখন গাঁও সংগঠনৰ ৩-৫ জন সদস্যৰে গঠন কৰাতো বাঞ্চনীয়। সমিতিৰ সদস্য হিচাপে সমাজৰ বিভিন্ন শ্ৰেণীৰ মহিলাৰ অন্তৰ্ভূক্তি নিয়ম অনুসৰি থাকিব লাগিব।

১. সামাজিক কাৰ্য্য ৰূপায়ণ সমিতিৰ সদস্য হ'বলৈ লগা প্ৰাথমিক যোগ্যতাঃ

১.১ বয়সৰ মাপ কাঠি হ'ব ২০-৪৫ বছৰৰ ভিতৰত।

১.২ প্ৰতিজন সদস্যই লিখা পঢ়া জানিব লাগিব।

১.৩ সদস্যসকল সামগ্ৰিকভাবে গাঁওখনৰ লগতে গাঁওবাসীৰ সামাজিক উন্নয়নত মনোনিৱেশ কৰাৰ বাবে আগ্ৰহী হ'ব লাগিব।

১.৪ সদস্যসকলে ব্লক বা জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ কাৰ্য্যালয়লৈ গাঁও সংগঠন বা গাঁওবাসীৰ সমস্যাবোৰ উৎথাপনৰ বাবে আৱশ্যকৰ সময়ত যাবলৈ আগ্ৰহী হ'ব লাগিব।

২. সামাজিক কাৰ্য্য ৰূপায়ণ সমিতিৰ সদস্যই পালন কৰিব লগা দায়িত্ব আৰু দায়বদ্ধতাঃ

২.১ লিঙ্গ বৈষম্যতা, স্বাস্থ্য আৰু খাদ্য সুৰক্ষা, পুষ্টিহীনতা, স্বাস্থ্যবিধি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা, অধিকাৰ, গাঁৱত অব্যাহত থকা সামাজিক দুৰাচাৰ আদি সামাজিক সমস্যাবোৰৰ বিষয়ে গাঁও সংগঠনৰ কাৰ্য্যকৰী সভাত আলোচনা কৰা।

২.২ চৰকাৰী বিভিন্ন আঁচনিৰ পৰা লাভ কৰিব লগা সুবিধা আৰু অধিকাৰসমূহ যাতে আত্ম-সহায়ক গোটৰ সদস্যসকলে ভোগ কৰিব পাৰে তাৰ বাবে গাঁও পঞ্চায়ত, ব্লক, চৰকাৰী বিভাগীয় কাৰ্য্যালয় আদিৰ স'তে সমন্বয় ৰক্ষা কৰা।

২.৩ বিভিন্ন চৰকাৰী বিভাগৰ পৰা গাঁওবাসীয়ে লাভ কৰা বিভিন্ন সুবিধাৰ খতিয়ান নাম তালিকাসহ সদায় বৰ্ত্তমান সময়লৈকে নথিভুক্ত কৰি থোৱা।

২.৪ স্পৰ্শকাতৰ সকলৰ ঘৰলৈ যোৱা আৰু গাঁও সংগঠনৰ সভাত সেইসকলক মূল সুঁতিলৈ ওলটাই অনাত সহায় কৰা।

২.৫ সামাজিক উন্নয়নৰ দিশত থকা সমস্যাবোৰৰ ওপৰত আত্ম-সহায়ক গোটৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধিৰ বাবে কাৰ্য্যসূচী গ্ৰহণ কৰা।

২.৬ গাঁৱত থকা স্পৰ্শকাতৰতা বা ভাবুকিসমূহ নোহোৱা কৰাৰ বাবে গাঁও সংগঠনক আঁচনি যুগুতোৱাত সহায় কৰা।
২.৭ গ্ৰাম সংগঠনে স্পৰ্শকাতৰতা আঁতৰ কৰাৰ বাবে লোৱা আঁচনিৰ পুঁজি সদ্ব্যৱহাৰ কৰি আশংকা হ্ৰাস কৰণত সহায় কৰা, সামাজিক উন্নয়ন আঁচনি- যেনে স্বাস্থ্য, খাদ্য সুৰক্ষা, পৰিষ্কাৰ-পৰিছন্নতা, পুষ্টিকৰ খাদ্য, শিক্ষা,অক্ষমতা, বৃদ্ধ লোকৰ সমস্যা, লিঙ্গ বৈষম্য আঁতৰোৱা আদি কাৰ্য্যসূচীত সহায়ৰ হাত আগবঢ়োৱা।
২.৮ প্ৰতিটো আত্ম-সহায়ক গোটতে সামাজিক উন্নয়নৰ বিভিন্ন সমস্যাসমূহ উদঙাই দিব পৰা একোজন সক্ষম ব্যক্তি গঢ় দি ল'ব লাগে যাতে সেই ব্যক্তিজনে সামাজিক সমস্যাসমূহৰ ক্ষেত্ৰত আত্ম-সহায়ক গোটটোক প্ৰতিনিধিত্ব কৰিব পাৰে।
২.৯ অঙ্গনবাদী কৰ্মী, এ এন এম নাৰ্চ, আশা কৰ্মী, গ্ৰাম সেৱক-সেৱিকা, শিক্ষা মিত্ৰ, স্থানীয় অনাচৰকাৰী সংগঠন, মতামত দিব পৰা নেতা, বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষক, গাঁওবুঢ়া, পঞ্চায়ত অনুষ্ঠান, যুৱ প্ৰতিনিধিসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি ঘৰুৱা কন্দল বা এনেধৰণৰ অশান্তি, যৌন নিৰ্যাতন, বাল্য বিবাহ, শিশুৱে বিদ্যালয় এৰা, শাৰীৰিক ভাবে অক্ষম ব্যক্তিক সহায় কৰা, জলপানি-পেঞ্চন বা আন আন সাহাৰ্যসমূহ পোৱাত সহায় কৰি দিয়া ইত্যাদি।
২.১০ গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰক্ৰিয়াৰ সৈতে সক্ৰিয়ভাবে জড়িত হোৱা আৰু আত্ম-সহায়ক গোটৰ সদস্যসকলকো গাঁও সভাত জড়িত হোৱাতো নিশ্চিত কৰা বা গাঁৱত আয়োজিত যিকোনো উন্নয়ন মূলক আঁচনিৰ সজাগতা অনুষ্ঠানত অংশ লোৱা।
২.১১ গাঁৱৰ প্ৰতি ঘৰতে শৌচালয় থকাতো নিশ্চিত কৰা।
২.১২ আত্ম-সহায়ক গোটৰ যোগ্য প্ৰতি ঘৰ যাতে খাদ্য সুৰক্ষা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ভিতৰত অন্তৰ্ভূক্ত হয় সেয়া সুনিশ্চিত কৰিব লাগে।

গাঁও সংগঠনৰ সামাজিক কাৰ্য্য ৰূপায়ণ সমিতিয়ে যাতে ফলপ্ৰসুভাবে সামাজিক উন্নয়নক প্ৰতিনিধিত্ব কৰিব পাৰে তাৰবাবে *ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ 'সমূহীয়া কাৰ্য্য সম্পাদন নিৰ্দেশনা পুস্তিকা'* চাব পাৰে।